মই দেখি আছোঁ শেষৰ সাত ৰাতি সম্পৰ্কে তোমালোকৰ সপোনবোৰৰ মাজত মিল আছে। গতিকে শুনা! যিয়ে ইয়াক অনুসন্ধান কৰিব বিচাৰে, তেওঁ শেষৰ সাত ৰাতিত অনুসন্ধান কৰা উচিত।

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কেইজনমান চাহাবাই সপোনত দেখা পালে যে, লাইলাতুল ক্বদ্ৰ হৈছে শেষৰ সাত ৰাতিত। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ "মই দেখি আছোঁ
শেষৰ সাত ৰাতি সম্পৰ্কে তোমালোকৰ সপোনবোৰৰ মাজত মিল আছে। গতিকে শুনা! যিয়ে ইয়াক অনুসন্ধান কৰিব বিচাৰে, তেওঁ শেষৰ সাত ৰাতিত অনুসন্ধান কৰা উচিত।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কিছুমান চাহাবাই সপোনত দেখা পাইছিল যে, লাইলাতুল ক্বদ্ৰ হ'ব ৰমাজান মাহৰ শেষৰ সাত ৰাতিত। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক কৈছিলঃ মই দেখি আছোঁ, ৰমাজানৰ শেষ সাত ৰাতি সম্পৰ্কীয় বিষয়টোত তোমালোকৰ সপোনবোৰ মিলিছে। গতিকে যিয়ে এই ৰাতিটো পাব বিচাৰে তথা এইটো পোৱাৰ বাবে আগ্ৰহী, তেওঁ এই সাতটা ৰাতিত বেছি বেছি নেক আমল কৰা উচিত, কাৰণ এই সাতটা ৰাতিত ইয়াক বিচাৰি পোৱাৰ সম্ভাৱনা অধিক। এতেকে এই ৰাতি আৰম্ভ হয় ৰমাজান মাহৰ চৌবিশ তাৰিখৰ পৰা, যদি ৰমাজান মাহ ত্ৰিছ দিনীয়া হয়। আনহাতে যদি ঊনত্ৰিশ দিনীয়া হয় তেন্তে এইটো আৰম্ভ হয় তেইশ তাৰিখৰ পৰা।

http://sunnah.global/hadeeth/as/show/4545